# শিশু শিক্ষাত ক্ৰীড়াকেন্দ্ৰিক কাৰ্যকলাপ

প্ৰাক্ ঐতিহাসিক কালৰ পৰা মানুহৰ জ্ঞান বিস্তাৰ আৰু তাৰ প্ৰয়োগ নানা সংস্কাৰৰ মাজেৰে পৰিশোধিত হৈ আহি আছে। এই পৰিক্ৰমাত গুৰু গৃহ, ৰাজ পৃষ্ঠপোষকতা, বৈদিক, উপনিষদীয়, ধৰ্মশাস্ত্ৰীয়, পৌৰাণিক, সামন্তীয় আৰু আধুনিক স্তৰ গৰকি ভাৰতীয় শিক্ষা ব্যৱস্থা বৰ্তমান পৰ্যায় পাইছেহি। শিক্ষা ব্যৱস্থাৰ প্ৰাথমিক শিক্ষাৰ স্তৰ নানা পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে অধিক বিজ্ঞানসন্মত কৰি তুলিবলৈ বহুমুখী ৰূপ পৰিগ্ৰহ কৰাৰ পথেৰে আধুনিকোত্তৰ পৰ্যায় পোৱা বুলি ক'ব পাৰি। আধুনিক কল্যাণকামী ৰাষ্ট্ৰ এখনৰ জনসাধাৰণক 'জনসম্পদ' বা 'মানৱ সম্পদ' বুলি গণ্য কৰা হয়। দেশ এখনৰ আৰ্থ-সামাজিক উত্তৰণত মানৱ সম্পদৰ ভূমিকা অপৰিসীম। দেশৰ সকলো শিশুৰ যথাথভাৱে দৈহিক-মানসিক বিকাশ সম্ভৱ কৰি তুলিব পৰাৰ বাতাবৰণ সৃষ্টি কৰিব পৰাটো মানৱ সম্পদ উন্নীত কৰাৰ প্ৰধান পূৰ্বচৰ্ত বুলি বিশ্বাস কৰা হয়। মানৱ সম্পদৰ সুস্থ বিকাশৰ বাবে দেশৰ একো একোটি শিশুৰ উপযুক্ত ব্যক্তিত্ব গঠনৰ পথ সুগম কৰি তোলাত সমাজৰ সকলোৰে দায়বদ্ধতা জড়িত হৈ থাকে। সেইবাবে গৰ্ভস্থ অৱস্থাৰ পৰাই পূৰ্ণাঙ্গ পৰ্যায় পোৱালৈকে মানৱ শিশু এটাক প্ৰভাৱিত কৰিব পৰা উপযুক্ত পাৰিপাৰ্শ্বিক আৰু সামাজিক পৰিৱেশ দিব পাৰিব লাগিব। সাধাৰণ ধ্যান-ধাৰণাৰে চালে দেখা যায় যে আন প্ৰাণীৰ তুলনাত মানৱ শিশু কৈশোৰ প্ৰাপ্তিৰ আগলৈকে অধিক পৰনিৰ্ভৰশীল হ'বলগীয়া হয়। সেইবাবে মানৱ শিশু এটাৰ দৈহিক আৰু বৌদ্ধিক বিকাশত প্ৰভাৱ পেলাব পৰা উপাদানসমূহৰ সম্যক ধাৰণাৰ স'তে তেওঁলোকৰ সুস্থ বিকাশৰ অনুকূল বাতাবৰণ সৃষ্টি কৰা উচিত।

শিশু মনোবিজ্ঞানীসকলৰ মতে শিশুৰ দৈহিক আৰু মানসিক বিকাশৰ অনেক উপাদানৰ ভিতৰত পৰিৱেশৰ প্ৰভাবো যথেষ্ট গুৰুত্বপূৰ্ণ। শিশুৰ দৈহিক আৰু মানসিক বিকাশৰ বাবে পৰস্পৰে ইটো-সিটোৰ পৰিপূৰক আৰু 'ক্ৰীড়াকেন্দ্ৰিক কাৰ্যকলাপে' শিশু বিকাশ প্ৰক্ৰিয়া পৰিপক্কতাৰ দিশলৈ আগুৱাই নিয়াত সহায় কৰে। সেইবাবে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত শিশু বিকাশ প্ৰক্ৰিয়াৰ দৈহিক, মানসিক, আবেগিক, বৌদ্ধিক আৰু সামাজিক বিকাশ স্বাভাৱিক কৰাৰ বাবে শিশু মনোবিজ্ঞানীসকলে বিভিন্ন প্ৰকাৰৰ খেল-ধেমালিক অন্যতম সহপাঠ্যক্ৰমিক বিষয় হিচাপে সামৰি ল'বলৈ দ্বিধাহীনভাৱে মত পোষণ কৰে। সেইমতে শিশুক ক্ৰীড়াৰ মাজেৰে শিক্ষাত জড়িতকৰণ প্ৰক্ৰিয়াক নতুন শিক্ষা ব্যৱস্থাই অগ্ৰাধিকাৰ দিয়া দেখা যায়। শিশুৰ সুস্থ বিকাশত ক্ৰীড়াৰ প্ৰয়োজনীয়তাৰ বিচাৰ কৰাৰ বাবে এই নিৱন্ধটি যুগুতোৱা হৈছে।

শৈশৱ কালতে মানুহৰ ভৱিষ্যত জীৱনৰ ভেটি গঢ় লৈ উঠে বাবে ওপৰত উল্লেখিত শিশু বিকাশৰ পাঁচটা দিশৰ সুস্থ প্ৰসাৰৰ বাবে গুৰুত্ব দিয়া উচিত। মন কৰিবলগীয়া যে শিশু এটাৰ সৰ্বাত্মক বিকাশ আৰু পৰিপক্কতাৰ বাবে বিকাশ প্ৰক্ৰিয়াৰ প্ৰতিটো স্তৰতে ক্ৰীড়াৰ ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হয়। কিয়নো ক্ৰীড়া কলাকেন্দ্ৰিক আচৰণ প্ৰদৰ্শণ মানুহৰ অন্যতম সহজাত প্ৰবৃত্তি হোৱা বাবে শিশু গৰ্ভস্থ হোৱাৰ পৰাই তাৰ হস্তচালন, পদচালন আৰু অন্যান্য অংগ চালন অৱধাৰিত হ'ব ধৰে। এইবোৰ আচৰণ ইন্দ্ৰিয়সমূহৰ অনুশীলনৰ অৱপ্ৰকাশেই বিভিন্ন ক্ৰীড়াশৈলীৰে পৰিশোধিত ৰূপ পৰিগ্ৰহ কৰে। এনে ক্ৰীড়াশৈলীৰ প্ৰয়োগ জনসম্পদৰ অঙ্কুৰণ অৱস্থাত অৰ্থাৎ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত ইতিবাচক ফল দিয়াৰ বাবে আধুনিক শিক্ষা ব্যৱস্থাসমূহত ক্ৰীড়া ভিত্তিক বিষয় সামৰি লোৱাৰ ব্যৱস্থা প্ৰচলন হৈছে।

মানৱ শিশু এটিৰ দৈহিক আৰু মানসিক বিকাশ গৰ্ভস্থ অৱস্থাৰ পৰাই ভূমিষ্ঠ হোৱা আৰু পূৰ্ণাংগ মানুহ হোৱালৈ এক বৈচিত্ৰময় আৰু জটিল বিকাশ প্ৰক্ৰিয়াৰ মাজেৰে অতিক্ৰম কৰে। ভূমিষ্ঠ হোৱাৰ পৰৱৰ্তী সময়ত যৌৱন প্ৰাপ্তিলৈ শিশুৰ বিকাশৰ সমগ্ৰ প্ৰক্ৰিয়া খৰচি মাৰি আলোচনা অতি দীঘলীয়া হোৱা তেনেই স্বাভাৱিক। আমাৰ আলোচনাৰ পৰিসীমা সংক্ষিপ্ত কৰাৰ বাবে

শিশু এটিৰ দুবছৰমান বয়সৰ পৰা কৈশোৰ কালৰ মধ্য ভাগলৈ বিকাশ প্ৰক্ৰিয়াত খেল-ধেমালিৰ প্ৰয়োজনীয়তা আৰু উপকাৰিতা অনস্বীকাৰ্য।

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশে সমাজৰ গতিশীলতা বৃদ্ধি কৰাৰ পৰিণতিত আমাৰ জীৱন প্ৰক্ৰিয়া জটিল আৰু কিছু নতুন নতুন সমস্যাৰে জৰ্জৰিত হৈ পৰিছে। ভোগ সৰ্বোচ্চ আৰু আনন্দ-উল্লাসৰ নানা উপকৰণৰ পয়োভৰে কোমল মনৰ মানৱ সন্তানৰ পদে পদে আওবাটে যোৱাৰ পথ সুচল কৰি তুলিছে। এনে প্ৰেক্ষাপটত আধুনিক শিক্ষা ব্যৱস্থাকো বিজ্ঞানসন্মত কৰি তোলা অপৰিহাৰ্য হৈ পৰিছে। শিক্ষা ব্যৱস্থা পুথিকেন্দ্ৰিক হৈ থকাৰ পৰিৱৰ্তে বিজ্ঞান ভিত্তিক ক্ৰিয়া-কলাপ আধাৰিত হৈ পৰিছে। শিশু বিকাশ প্ৰক্ৰিয়াত স্তৰভেদে খেলভিত্তিক ক্ৰিয়া-কলাপ শিক্ষাৰ বাবে প্ৰয়োগ কৰা অৱধাৰিত হৈ পৰিছে। মানৱ শিশুৰ দুই বছৰৰ পৰা দ্ৰুগতিত বিকাশিত হ'ব ধৰা আবেগিক অৱস্থাৰ সৈতে বিভিন্ন প্ৰকাৰৰ খেল-ধেমালি জৰিতকৰণ ফলপ্ৰসু হোৱা পৰিলক্ষিত হৈছে। আবেগসমূহৰ স্বাভাৱিক বিকাশৰ পথ প্ৰশস্ত কৰাৰ বাবে শিশু মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে উদ্ভাৱন কৰা খেল সামগ্ৰীৰ প্ৰয়োগ উন্নত দেশসমূহৰ শিক্ষা ব্যৱস্থাত অনেক দশক আগতেই আৰম্ভ হৈছিল। ইয়াৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ বাহিৰে আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত স্বাধীনোত্তৰ কালৰ পৰাহে প্ৰাথমিক শিক্ষা ব্যৱস্থাক উন্নত কৰি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। সৌ সিদিনাহে অৰ্থাৎ ২০০৯ চনৰ পৰাহে অসমত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আওতাত সকলো শিশুক সামৰি ক্ৰিয়াভিত্তিক শিকন পদ্ধতি অৱলম্বন কৰা হৈছে। ক্ৰিয়াভিত্তিক শিকন ব্যৱস্থাৰ অন্যতম সহ পাঠ্যক্ৰমিক বিষয় হিচাপে ক্ৰীড়াভিত্তিক শিক্ষাৰ প্ৰচলন কৰিব খোজা হৈছে। এই ব্যৱস্থাৰ অধীনত বিদ্যালয়সমূহত খেলভিত্তিক শিকন সামগ্ৰীৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিয়া হয়। মন কৰিবলগীয়া যে অকল বিদ্যালয় স্তৰতেই নহয়, ঘৰুৱা পৰিবেশতো খেলভিত্তিক শিকন সামগ্ৰীৰ প্ৰচলনৰ বাবে অভিভাৱকসকলেও সজাগ হোৱা উচিত।

শিশু শিক্ষাত বিজ্ঞান ভিত্তিক খেল সামগ্ৰীৰ প্ৰয়োগে শিশুৰ আবেগ জৰিত আচৰণসমূহ যেনে- আনন্দ, লজ্জা, ভয়, সংকোচ, খং, ইৰ্ষা, হিংসা, দুখ, উত্তেজনা, হৰ্ষ, উল্লাস, আনৰ প্ৰতি মৰম, ইত্যাদিৰ সুস্থ বিকাশত ইতিবাচক

প্ৰভাৱ পেলায়। শিশুৰ দৈহিক-মানসিক বিকাশ প্ৰভাৱিত কৰাৰ বেলিকা শিশু উপযোগী বিজ্ঞানসন্মত খেল-ধেমালিৰহে প্ৰয়োগ হোৱা উচিত। অতি উচ্চ পৰ্যায়ৰ কম্পিউটাৰ গেম, উচ্চ পৰ্যায়ৰ আই কিউ জোখৰ খেল আদিৰ প্ৰয়োগে শিশু বিকাশ প্ৰক্ৰিয়া বিঘ্নিত কৰাৰহে সম্ভাৱনা আনি দিব পাৰে। শিশুকেন্দ্ৰিক খেল আৰু খেল সামগ্ৰীৰ ব্যৱহাৰ সম্পৰ্কে ইতিমধ্যে বিখ্যাত শিশু মনোবিজ্ঞানীসকলে কিছুমান পৰামৰ্শ আগবঢ়াই থৈছে। দৈহিক ক্ৰীড়া শৈলীৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ প্ৰণালীবদ্ধ অংগচালন, যোগ-ব্যায়াম, নৃত্য, দৌৰ, জপিওৱা, বেগাই খোজকঢ়া আদিৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। মানসিক ক্ৰীড়া শৈলীৰ ভিতৰত ক্ষুদ্ৰ আৰু সৰল ধৰণৰ বুদ্ধি পৰীক্ষা, সামগ্ৰী ভিত্তিক আখৰ জোঁটনি, সামগ্ৰীভিত্তিক হিচাপ-নিকাচ, আবৃত্তি, অভিনয়, কথন চৰ্চা ইত্যাদিৰ পৰামৰ্শ আৰু সন্তুলিত বিকাশত দুয়োপ্ৰকাৰৰ ক্ৰীড়া শৈলীয়ে ইতিবাচক ফল দিয়াৰ প্ৰমাণ ইতিমধ্যেই পোৱা গৈছে।

ক্ৰীড়াকেন্দ্ৰিক শিকন পদ্ধতি শিশুৰ ঘৰখনৰ পৰাই আৰম্ভ হোৱা উচিত যদিও আমাৰ গ্ৰাম্য সমাজ ব্যৱস্থাত অধিকাংশ অভিভাৱক শিশু বিকাশ প্ৰক্ৰিয়া সন্দৰ্ভত সচেতন নহয়। তদুপৰি কিছু বছৰ আগলৈকে আমাৰ দেশত প্ৰাক-প্ৰাথমিক পৰ্যায়ত আনুষ্ঠানিক ক্ৰীড়া ভিত্তিক শিকন ব্যৱস্থাৰ প্ৰচলন নাছিল। যোৱা শতিকাৰ আশিৰ দশক মানৰ পৰা প্ৰতি চুবুৰীত প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ শিশুৰ বাবে অংগনৱাড়ী কেন্দ্ৰ গঢ়ি উঠিব ধৰে আৰু শিক্ষা নিশ্চিত আঁচনিৰ যোগে প্ৰতি কিলোমিটাৰৰ দূৰত্বত প্ৰাথমিক বিদ্যালয় পতাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এনে প্ৰচেষ্টাৰ ফলস্বৰূপে শিশু শিক্ষাৰ আনুষ্ঠানিক পৰ্যায়ত সহপাঠ্যক্ৰমিক ক্ৰিয়াভিত্তিক শিকনৰো বাট মুকলি হ'ব ধৰে। এইসমূহ ব্যৱস্থাৰ মাজেৰে সম্প্ৰতি ১৪ বছৰৰ তলৰ সকলো শিশুক প্ৰাক-প্ৰাথমিক, নিম্ন প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ত সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। সমান্তৰালভাৱে শিশুৰ দৈহিক আৰু মানসিক বিকাশ যথাৰ্থ ভাবে গঢ়ি তুলিবলৈ বিদ্যালয়সমূহৰ সৰ্বাত্মক উন্নয়নৰো ব্যৱস্থা কৰা হৈছে। সেইদৰে সহ পাঠ্যক্ৰমিক ক্ৰীড়াকেন্দ্ৰিক কাৰ্যকলাপৰো প্ৰসাৰ ঘটোৱাৰ সুবিধা আহি পৰিছে। অকল চৰকাৰী সা-সুবিধাৰ ফালে চকু নাৰাখি শিক্ষক, অভিভাৱক সমন্বিতে স্থানীয় নিকায়সমূহেও সহপাঠ্যক্ৰমিক

শিকন পদ্ধতি বাস্তবায়িত কৰাৰ প্ৰচেষ্টা ৰখা উচিত। মানৱ শিশু এটি থিয় হ'ব পৰা অৱস্থাৰ পৰাই বিভিন্ন খেলা-ধূলাৰ মাজেৰে দৈহিক যন্ত্ৰসমূহৰ বিকাশ যাতে উপযুক্ত হয় তাৰ ব্যৱস্থা কৰিব লাগে। সঞ্চালন ক্ষমতাৰ উপযুক্ত বিকাশত সহায়ৰ বাবে জাৰ্মান মনোবিজ্ঞানী ফ্ৰবেল আৰু ইটালিৰ মনোবিজ্ঞানী মেৰিয়া মণ্টেছৰীয়ে ইন্দ্ৰিয় অনুশীলনৰ ওপৰত গুৰুত্ব দি কিছুমান বিশেষ খেল সামগ্ৰীৰ প্ৰয়োগৰ পৰামৰ্শ আগবঢ়াইছে। ফ্ৰবেলে আগবঢ়োৱা কিণ্ডাৰ গাৰ্টেনপদ্ধতি আৰু মণ্টেছৰীয়ে আগবঢ়োৱা মণ্টেছৰী পদ্ধতিৰ খেল - সামগ্ৰীৰ দৰে অভিনৱ বিজ্ঞানভিত্তিক খেল আৰু খেল সামগ্ৰীৰ প্ৰয়োগেৰে শিশুৰ পৰিপূৰ্ণ বিকাশ সম্ভৱ কৰি তুলিব পাৰি। সেইদৰে মনোবিজ্ঞানী ৰুছোও শিশু শিক্ষাত খেল আৰু খেল সামগ্ৰী প্ৰয়োগৰ পৰামৰ্শ আগবঢ়াইছে।

জন্মৰ পিছৰ পৰাই ঈশ্বৰপ্ৰদত্ত পঞ্চ ইন্দ্ৰিয়সমূহৰ বিকাশ হ'ব ধৰে। দৰ্শন, শ্ৰৱণ, ঘ্ৰাণ, স্পৰ্শ, স্বাদ আদিৰ স্বাভাৱিক বিকাশত খেল আৰু খেল সামগ্ৰীৰ ব্যৱহাৰে প্ৰভাৱ পেলায়। হাত-ভৰি লৰচৰ কৰিব ধৰাৰ পৰাই ৰংচঙীয়া খেল সামগ্ৰীত দৃষ্টি নিক্ষেপ, শব্দৰ প্ৰতি সহাৰি, স্পৰ্শস্পৃহা, মুখত বস্তু ভৰোৱা প্ৰৱণতা আদিবোৰ সহজাত ক্ৰীড়াকলাৰে অৱপ্ৰকাশ। মনকৰিবলগীয়া যে ক্ৰীড়া কলা জৰিত থকা সকলো কাৰ্যতে সদায় আনন্দ নিহিত হৈ থাকে। নিষ্পাপ আৰু কোমল মনৰ অধিকাৰী হৈ থকা শিশুৰ শিক্ষাৰম্ভ আনন্দকেন্দ্ৰিক কৰাৰ বাবেই বিশিষ্ট শিশু মনোবিজ্ঞানীসকলে খেলভিত্তিক ক্ৰিয়াকলাপৰ পৰামৰ্শ আগবঢ়াইছে।

ফ্ৰবেলৰ ক্ৰীড়াভিত্তিক শিক্ষা পদ্ধতিমতে শিশু শিক্ষাত প্ৰয়োগ কৰিব পৰা সামগ্ৰীসমূহৰ ভিতৰত বিশেষ ধৰণৰ ছয়টা বিশেষ ৰঙৰ ঊণৰ বল, কাঠেৰে নিৰ্মিত বিশেষ বিশেষ সঁজুলিৰ ব্যৱহাৰৰ কথা উনুকিয়াইছে। এনেবোৰ সামগ্ৰীৰ ব্যৱহাৰৰ মাজেৰে ৰং চিনিব পৰা, ৰঙৰ পাৰ্থক্য বিচাৰ কৰিব পৰা আৰু তুলনা কৰিব পৰাৰ উপৰিও ৰঙৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰিব পৰা ক্ষমতা আহৰণ সহজ কৰিব পাৰি। ঘূৰণীয়া বহুৰঙী বলৰ উপৰিও কাঠৰ চাৰিকোণীয়া চেপেটা বস্তু, তিনিকোণীয়া দীঘল বস্তু, ঘূৰণীয়া দীঘল বস্তু আদি খেল সামগ্ৰী প্ৰয়োগৰ পৰামৰ্শ আগবঢ়োৱা হয়। এনে সামগ্ৰী ব্যৱহাৰ কৰি শিশুৰ মনত বস্তুৰ আকৃতিগত

ধাৰণা, আকৃতিগত পাৰ্থক্যৰ ধাৰণা, বস্তুৰ কঠিনতা, মসৃনতা আদি জ্ঞান সহজে আহৰণ কৰিব পাৰি। ফ্ৰবেলে আগবঢ়োৱা খেল সামগ্ৰীৰ ভিতৰত কাঠৰ আৰু কিউব ৮ টাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰা হৈছে। এইবোৰ খেল সামগ্ৰী ব্যৱহাৰৰ দ্বাৰা শিশু মনত আকাৰৰ পাৰ্থক্য, সৰ্বমুঠ আৰু আংশিক ভাগৰ হিচাপ যেনে- এক চতুৰ্থাংশ, অৰ্ধাংশ, দুই তৃতীয়াংশ, এক তৃতীয়াংশ আদিৰ ধাৰণাৰ সূত্ৰপাত কৰিব পাৰি। সেইদৰে কেলকুলেটৰ আৰু কম্পিউটাৰৰ অপৰিশোধিত অৱস্থা এবেকাছ্‌ৰ ব্যৱহাৰৰ দ্বাৰা শৈশৱৰ পৰৱৰ্তী কালতো বৌদ্ধিক বিকাশৰ অঙ্কুৰণ ঘটাব পাৰি।

বিভিন্ন প্ৰকাৰৰ খেলত জৰিতকৰণ আৰু খেলা সামগ্ৰীৰ ব্যৱহাৰে ক্ৰমে সামাজিক জ্ঞান প্ৰসাৰৰ লগেত মানবীয় প্ৰমূল্যসমূহৰ বিকাশ ত্বৰান্বিত কৰিব পাৰে। শিশু শিক্ষাত ক্ৰীড়াকেন্দ্ৰিক কাৰ্যকলাপৰ প্ৰয়োগে শিশুসকলৰ দৈহিক-মানসিক বিকাশ সামঞ্জস্যপূৰ্ণ কৰি তোলাৰ উপৰিও বিকাশ প্ৰক্ৰিয়াত ক্ৰমে পৰিশোধিত অংগ চালনত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলায়। এইবোৰৰ বিজ্ঞানসন্মত প্ৰয়োগে শিশুৰ বৌদ্ধিক দিশসমূহ যেনে - গাণিতিক ধাৰণা, কলাসুলভ চিন্তা-চৰ্চা, নান্দনিক কাৰ্যকলাপ, সহযোগিতামূলক আচৰণ, নেতৃত্বমূলক ভাৱাদৰ্শৰ প্ৰসাৰ ঘটোৱাৰ উপৰিও সামাজিক আচৰণৰ সম্যক ধাৰণাৰ জন্ম দিয়ে। ব্যক্তিগত পৰ্যায়তে হওক অথবা আনুষ্ঠানিক পৰ্যায়তে হওক দেশৰ বৰ্তমান শিশু শ্ৰেণীৰ উপযুক্ত বিকাশৰ বাবে নব্য ধ্যান-ধাৰণাৰ প্ৰয়োগৰ বাবে সংশ্লিষ্ট সকলোৱে চিন্তা কৰাৰ সময় সমাগত। শিশু আচৰণ অনুকূল খেল আৰু খেল সামগ্ৰী প্ৰয়োগৰ দ্বাৰা শিকন পদ্ধতি অধিক আনন্দদায়ক কৰি তুলি শিশুৰ দৈহিক-মানসিক বিকাশ প্ৰক্ৰিয়াত শিশুসকলক জৰিতকৰণে নিশ্চয় অঙ্কুৰতে মানৱ সম্পদ বিকাশৰ উপযুক্ত পদক্ষেপ হ'ব।

•••

# আমাৰ কৃষি পৰম্পৰা ঃ অতীত আৰু বৰ্তমান

'হালধীয়া চৰায়ে বাও ধান খায়, সাউদৰ পুতেকে...' ছন্দযুক্ত উক্তি ফাঁকি এক বিশেষ পৰম্পৰাৰ অৱপ্ৰকাশ। এই বাক্যশাৰী আজিৰ প্ৰজন্মৰ বাবে কল্প কাহিনী সদৃশ। সম্প্ৰতি আমাৰ সমাজত বাওধানৰ প্ৰচলনো নাই আৰু জাক জাক হালধীয়া চৰাই খেদিবলৈ সাউদৰ পুতেকৰো খেতিডৰালৈ যোৱাৰ অৱকাশ নাই। জনসংখ্যাৰ দ্ৰুত বৃদ্ধি আৰু বিজ্ঞান প্ৰযুক্তিৰ গগন চুম্বী প্ৰগতিয়ে মানুহৰ ধ্যান-ধাৰণাৰ লগতে অনেক পৰম্পৰাৰো পৰিৱৰ্তন সাধিছে। এনে পৰিৱৰ্তন অৱধাৰিত আৰু স্বাভাৱিক যদিও প্ৰচলিত কৃষি পৰম্পৰা অদূৰ ভৱিষ্যতে কি পৰ্যায় পায়গৈ তাক ঠাৱৰ কৰাও কঠিন। পুৰণি কালত প্ৰচলিত "ধান থাকিলেহে মান থাকে, যাৰ নাই গৰু সি সবাতোকৈ সৰু" আদি প্ৰবাদ বাক্যসমূহে অসমীয়া সমাজৰ কৃষি পৰম্পৰাৰ কথাকে সূচোৱাৰ লগতে খাদ্য শস্য উৎপাদনত স্বাৱলম্বী হৈ থকাৰ কথাৰ ইংগিত দিছিল। সাম্প্ৰতিক দ্ৰুত পৰিৱৰ্তনৰ প্ৰেক্ষাপটত কৃষি পৰম্পৰাৰ আমূল পৰিৱৰ্তন হৈছে। পৰিৱৰ্তনৰ ধাৰাবাহিকতাই জীৱন জীৱিকাৰ সকলোবোৰ দিশ স্পৰ্শ কৰাৰ লগতে কৃষি কৰ্ম আৰু কৃষি আনুষঙ্গিক কৰ্মৰাজি যেনে পশুধন, উদ্যান শস্য, মৎস উৎপাদন আদি সকলোতে পৰিৱৰ্তনৰ ঢৌ আনিছে। এই পৰিক্ৰমাত আমাৰ অঞ্চল, বিশেষকৈ গোৱালপাৰা জিলাৰ পূৱ সীমান্তৰ ৰংজুলি ৰাজহ চক্ৰৰ অধীনত গাঁওসমূহৰ কৃষি পৰম্পৰাৰ পৰিৱৰ্তন পৰ্যালোচনা কৰাৰ বাবে নিৱন্ধটি যুগুতোৱাৰ প্ৰয়াস কৰা হৈছে।

আন প্ৰজাতিৰ শালিধান ৰোৱা হৈছিল। দৰিয়া আৰু ফব্‌মা ধান দুবিধ খেতিয়কৰ দুৰ্দিনৰ অৰ্থাৎ আকালৰ সময়ত সকাহ দিয়াৰ উৎস আছিল। এই দুবিধ ধান বতৰৰ বিজুতি অথবা কীট-পতঙ্গৰ দ্বাৰা ক্ষতিগ্ৰস্ত হ'লে সংশ্লিষ্ট কৃষক ঋণগ্ৰস্ততাৰ বলী হ'বলগীয়া হৈছিল।

আমাৰ কৃষি পৰম্পৰাৰ বিভিন্ন প্ৰজাতিৰ বাওধানসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল বেত', জোৰা, চন্‌মতি, আইজুৰি, গাজিয়া ইত্যাদি। সেইদৰে বিভিন্ন প্ৰজাতিৰ আহুধানসমূহ আছিল বগী, মালভোগ, পতেশ্বৰী, গৰিয়া, বিল্‌সা, কালজিৰা ইত্যাদি। উল্লেখযোগ্য যে আহুধানৰ বিলসা প্ৰজাতিৰ অনন্য সোৱাদৰ বাবে ইল্‌সা অৰ্থাৎ ইলিচ মাছৰ সৈতে ৰিজোৱা হৈছিল। শালিধান প্ৰজাতিসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল মাইকুটি, ফুলমাগ্ৰী, বেকীপাতি, মনোহৰ, বৰধানা, শিলগুটি, পেটপাখ্‌ৰী, সুৱাগমণি, মইনাগিৰি আৰু বিভিন্ন প্ৰজাতিৰ জহা ধান। জহাধানসমূহৰ ভিতৰত উল্লেখযোগ্য প্ৰজাতিসমূহ ৰামপাল, মাণিকি মধুৰী, খুদীয়া, কালিয়া, ৰাঙী ইত্যাদি। তদুপৰি জলপানৰ উপযোগী খাদ্যৰ উৎস বৰাধান যেনে চিক্‌ৰা, বগী আৰু ক'লা বৰা ধান প্ৰজাতি লেখত ল'বলগীয়া আছিল।

আমাৰ কৃষি পৰম্পৰাত মাটিৰ গুণাগুণ অনুসৰি ৰবি শস্যৰ বিশেষ প্ৰচলন নাছিল যদিও চেগা চেৰোকাকৈ সৰিয়হ, তিল, তিচি, কুঁহিয়াৰ আদিৰ খেতি কৰা হৈছিল। সম্প্ৰতি এইবোৰৰ উৎপাদন প্ৰায় পৰিহাৰ কৰা দেখা যায়। পৰৱৰ্তী সময়ত বিশেষকৈ সত্তৰৰ দশকৰ পৰা শীতকালিন বৰ' ধানৰ খেতি পৰম্পৰা আহিব ধৰে। বৰ' ধানখেতি পৰম্পৰাৰ সমান্তৰালকৈ শালি জমিবোৰতো ঠায়ে ঠায়ে উন্নত বৰ' প্ৰজাতিৰ প্ৰচলন আহিব ধৰে। বৰ' প্ৰজাতিৰ আগমনে ধান উৎপাদনত বিশেষ সাফল্য প্ৰদান কৰাৰ ফলত আমাৰ অঞ্চলত পূৰ্বতে থকাৰ দৰে চাউলৰ নাটনি নাইকিয়া হৈ পৰিছে। বৰ্তমান ধান উৎপাদন বৃদ্ধিয়ে বিক্ৰিযোগ্য ৰাহিৰ সৃষ্টি কৰে যদিও ইবোৰৰ বজাৰ আমাৰ অঞ্চলতে সীমিত। আমাৰ অঞ্চলৰ ধান শস্যত আৰ্দ্ৰতাৰ পৰিমাণ অধিক হোৱা হেতু ভাৰতীয় খাদ্য নিগমে কিনি মজুত ৰাখিব নিবিচাৰে।

সত্তৰৰ দশকৰ পৰা আৰম্ভ হোৱা সেউজ বিপ্লৱে বিভিন্ন উন্নত জাতৰ

ধানৰ বীজ ৰোপন পৰম্পৰাৰ সূচনা কৰে। এই প্ৰক্ৰিয়াত ক্ৰমে কম উৎপানদশীল থলুৱা ধানৰ প্ৰজাতিসমূহ বিলুপ্ত হ'ব ধৰে। বিলুপ্তি হ'ব ধৰা ধানৰ স্থান দখল কৰিব ধৰে উন্নত আৰু অধিক উৎপাদনক্ষম ধানৰ প্ৰজাতিসমূহ। আমাৰ কৃষি পৰম্পৰাত আগমন ঘটা প্ৰধান উচ্চ উৎপাদনক্ষম প্ৰজাতি (HYV) ৰ ধানসমূহ হ'ল - আই আৰ্ ৮, পঙ্কজ, আই আৰ্ ১০, আইজং, ৰঞ্জিত, বাহাদুৰ, কুশল, মণিৰাম, পিয়লি, তেজস্বিনী, আই লখিমী, বাচমতী, মছুৰী, পদ্মা, জয়া, পুষা, এছ্ আৰ্ পদ্ধতিৰ বীজসমূহ ইত্যাদি। পুৰণি দিনৰ থলুৱা প্ৰজাতিৰ ধানসমূহৰ উৎপাদন সম্পূৰ্ণকৈ প্ৰকৃতি নিৰ্ভৰশীল আছিল। ইয়াৰ বিপৰীতে উচ্চ উৎপাদনক্ষম প্ৰজাতিৰ ধানসমূহৰ উৎপাদনৰ বাবে গৰুৰে হাল বোৱাৰ ঠাইত অধিক ব্যয় সাপেক্ষ ট্ৰেক্টৰ, টিলাৰ আদিৰ প্ৰচলন হ'ব ধৰে। তদুপৰি এইবোৰৰ ক্ষেত্ৰত একেলগে পানীযোগান, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদিৰ প্ৰয়োগ কৰিবলগীয়া হয়। পৰিণতিত থলুৱা জাতৰ ধানৰ তুলনাত এইবোৰ ধানৰ উৎপাদিকা বহুগুণে বেছি হোৱা দেখা যায়।

কৃষি পৰম্পৰাৰ ধান খেতিৰ পৰিৱৰ্তনৰ সমান্তৰালকৈ এই কৰ্মত জৰিত কৃষি সঁজুলিসমূহৰো পৰিৱৰ্তন হোৱা দেখা যায়। থলুৱাজাত ধান খেতিৰ সময়ত সচৰাচৰ ব্যৱহৃত সঁজুলিসমূহৰো পৰিৱৰ্তন হোৱা দেখা যায়। থলুৱাজাত ধান খেতিৰ সময়ত সচৰাচৰ ব্যৱহৃত সঁজুলি যেনে - কাঠৰ নাঙল, বাঁহ বা কাঠৰ যুঁৱলি, বাঁহৰ মৈ, বিঁধা, খাব্‌লী, দলিবাৰী, লৰু, বাংকাবাৰী, জাপি, ওখন, কোৰোণা (কাঠৰ), মৰাপাটৰ বিভিন্ন প্ৰকাৰৰ ৰচি আদিৰ এতিয়া প্ৰায় বিলুপ্তি ঘটিছে। এই সঁজুলিসমূহ নিৰ্মাণকাৰ্যৰ মাজেৰে আমাৰ কৃষক সকলৰ শিল্পীসূলভ নৈপুন্যও ফুটি উঠা পৰিলক্ষিত হৈছিল।

কৃষি পৰম্পৰাৰ পৰিৱৰ্তনৰ লগে লগে আমাৰ গাঁওসমূহত কৃষি আনুষঙ্গিক কৰ্মৰাজিৰো পৰিৱৰ্তন ঘটা দেখা যায়। কৃষি কৰ্মত সহায়কাৰী হিচাপে পূৰ্বে আমাৰ খেতিয়কসকল পশুধন পোহপাল কৰিছিল। সেইবাবে প্ৰতি পৰিয়ালৰ চৌহদত একোটাকৈ বৃহৎ গোহালিঘৰ আছিল। খেতিয়কসকলৰ এতিয়া গোহালি নাই। তাৰ বিপৰীতে ব্যৱসায়িক ভিত্তিত পশুধন পোহপাল কৰা গৃহস্থৰহে গোহালি থকা দেখা যায়। উল্লেখযোগ্য যে ব্যৱসায়িক ভিত্তিত

পশুধন পালন কৰা হেতু এইবোৰ থলুৱা পশুধনৰ ঠাইত উচ্চ উৎপাদনক্ষম প্ৰজাতিৰ জাৰ্চি, সিন্ধী, গীৰ, আদি পশুধন পালন কৰা হয়। গৃহস্থৰ পৰম্পৰাগত বাগান শস্যৰ বাবে বাৰীখনৰো পৰিৱৰ্তন আহি পৰিছে। থলুৱা ফলমূল, শাক পাচলি আদিবোৰৰ সলনি এতিয়া হাইব্ৰীড প্ৰজাতি, গ্ৰাফটিং, টিছু, বনছাই আদি ধৰণৰ শস্যবীজ ৰোপণ কৰা হয়।

জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষিযোগ্য ভূমিৰ পৰিমান হ্ৰাস হৈ অহাৰ পৰিস্থিতিয়ে কৃষি আৰু কৃষি আনুষংগিক কৰ্মৰ উৎপাদনশীলতা বৃদ্ধি অপৰিহাৰ্য কৰি তুলিছে। সেইবাবে পূৰ্বে প্ৰচলিত পৰম্পৰাক খামুছি ধৰি ৰাখিব খুজিলেও অনাকাংক্ষিত ভাবে হ'লেও পৰিৱৰ্তন আহি পৰে। পৰিৱৰ্তনৰ প্ৰেক্ষাপটত বিজ্ঞানসন্মতভাৱে আমাৰ অতীতত প্ৰচলিত শস্য প্ৰজাতিয়েই হওক, উদ্যান শস্যসমূহৰ থলুৱা প্ৰজাতিবোৰেই হওক অথবা থলুৱা পশুধনবোৰৰ প্ৰজাতিয়েই হওক এইবোৰক উন্নত পৰ্যায়লৈ ল'ব পৰা নগ'লহেঁতেন নে?

•••

# প্ৰধান মন্ত্ৰী জন ধন যোজনা

দেশ এখনৰ আৰ্থিক বিকাশ সঁচা অৰ্থত তেতিয়াহে সম্ভৱ হয় যেতিয়া দেশৰ আৰ্থিক উন্নয়ন নীতিয়ে সকলো শ্ৰেণীৰ লোকক সামৰি লয়। আৰ্থিক বিকাশ প্ৰসঙ্গত উন্নয়ন বিশেষজ্ঞসকলৰ মত এয়ে যে দৰিদ্ৰতাৰ কবলত থকা শ্ৰেণীৰ বাবে অভিলাষী আঁচনি অতি প্ৰয়োজনীয়। কিয়নো দেশৰ দৰিদ্ৰতাৰ হাৰ কমাব পৰাটোৱেই আৰ্থিক উন্নয়নৰ অন্যতম পৰিমাপ বুলি গণ্য কৰা হয়। ভাৰতীয় উন্নয়ন পৰিকল্পনাৰ তিনি কুৰিৰো অধিক বছৰ অতিবাহিত কৰাৰ পিছতো আজিকোপতি প্ৰায় ২৬ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। সমগ্ৰ পৰিকল্পনাৰ কালছোৱাত এই বৃহৎ লোকক উন্নয়ন প্ৰক্ৰিয়াত সামৰি লোৱাটো এক দুৰ্বিসহ প্ৰত্যাহ্বান হৈ থিয় দি আছে। এই দীৰ্ঘ পৰিক্ৰমাৰ পিছতো এই শ্ৰেণীলোকৰ সঞ্চয় স্পৃহা, সঞ্চয় ক্ষমতা সৃষ্টি আৰু আনুষ্ঠানিক বিত্তীয় সেৱা প্ৰদানৰ সূচলতা সৃষ্টি কৰিব পৰা হোৱা নাই। এনে প্ৰেক্ষাপটত উন্নয়নৰ অন্যতম পূৰ্বচৰ্ত বিত্তীয় অন্তৰ্ভুক্তি (Financial Inclusion) ধাৰণাৰ অবতাৰণা কৰা হৈছে। এনে নীতিৰ প্ৰয়োজনীয়তা আৰু সদ্য প্ৰচলিত প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ বিষয়ে আলোকপাত কৰিবলৈ এই নিবন্ধৰ অৱতাৰণা কৰা হৈছে।

বিত্তীয় অন্তৰ্ভুক্তিৰ অৰ্থ হ'ল নিম্ন আয় উপাৰ্জনকাৰী আৰু দৰিদ্ৰতাৰ কবলত থকা জনসাধাৰণলৈ চৰকাৰী পৃষ্ঠপোষকতাত বিত্তীয় সেৱা উপলব্ধ কৰা এক আঁচনি। দেশৰ বজাৰ অৰ্থব্যৱস্থাত আৰ্থিক সা-সুবিধাৰ পৰা বঞ্চিত হৈ থকা দৰিদ্ৰ শ্ৰেণী লোকক দেশৰ বেঙ্ক ব্যৱস্থাৰ সেৱাৰ সৈতে সাঙোৰ খুৱাব পাৰিলেহে দেশখনৰ প্ৰকৃত আৰ্থিক বিকাশ সম্ভৱ হ'ব। সেইবাবে বৰ্তমানৰ

ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনৰ ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ দিনাই প্ৰধান মন্ত্ৰী জন ধন যোজনা নামৰ বিত্তীয় অন্তৰ্ভুক্ত আঁচনি ঘোষণা কৰে।

দেশখনৰ সামগ্ৰিক বিকাশৰ স্বাৰ্থতেই এনে অভিলাষী আঁচনি অপৰিহাৰ্য হৈ পৰিছে। সম্প্ৰতি গতিশীল অৰ্থ ব্যৱস্থাত বিত্ত আৰু নগদ ধনৰ সৰবৰাহ অবিহনে কাম্য আৰ্থিক বিকাশ সম্ভৱ নহয়। স্বাভাৱিকতে দৰিদ্ৰ শ্ৰেণীৰ উপাৰ্জনৰ এশ শতাংশই ভোগ ব্যয়ত যায় বাবে এই শ্ৰেণীৰ সঞ্চয়ৰ অৱকাশ নাথাকে। তদুপৰি সমগ্ৰ উপাৰ্জন ভোগত ব্যয় কৰিও কেৱল পেটে-ভাতে জীয়াই থকাৰহে অৱকাশ থাকে। এনে পৰিপ্ৰেক্ষিতত এই শ্ৰেণী লোকক দেশৰ প্ৰগতিৰ অংশীদাৰ হোৱাৰ কোনো সুবিধাই নাথাকে। সেইবাবে এই শ্ৰেণীলোকৰ সঞ্চয় স্পৃহা, সঞ্চয় ক্ষমতা বৃদ্ধিৰ উপৰিও উপাৰ্জন বৃদ্ধি সম্ভৱ কৰিব পাৰিলেহে ন্যায় প্ৰতিষ্ঠাসহ সঁচা অৰ্থত দেশৰ কল্যাণ হোৱা বুলি কোৱা হয়। সাম্প্ৰতিক সময়ত বিত্তীয় সেৱাৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৰাজহুৱা দ্ৰব্য বুলি অভিহিত কৰা হয়। ৰাজহুৱা দ্ৰব্যৰ যোগান যিহেতু চৰকাৰী কাম-কাজৰ অন্যতম বুলি গণ্য কৰা হয় সেইবাবে ইয়াৰ যোগান দৰিদ্ৰ শ্ৰেণীলৈও উপলব্ধ কৰা চৰকাৰৰ অন্যতম দায়িত্ব। কিন্তু প্ৰচলিত ব্যৱস্থাত বিত্তীয় সেৱাত অন্তৰ্ভুক্ত হোৱা ক্ষমতা কেৱল বিত্তবানসকলৰ হে দেখা যায়। এক পৰিসংখ্যা মতে প্ৰায় চল্লিচ শতাংশ ভাৰতীয় বেংককেন্দ্ৰিক বিত্ত সেৱাৰ পৰা বাঞ্চিত। ভাৰতৰ এই বৃহৎ সংখ্যক জনগণ বেংককেন্দ্ৰিক বিত্তীয় সেৱাৰ পৰা বঞ্চিত থাকি সঞ্চয় আৰু বীমাকৰণকে ধৰি বিত্তকেন্দ্ৰিক লাভালাভৰ পৰাও বঞ্চিত হৈ থকা পৰিলক্ষিত হৈছে। আৰ্থিক বিকাশৰ অভিনৱ আৰ্হি হিচাপে প্ৰায়বোৰ উন্নয়নশীল দেশত 'বিত্তীয় অন্তৰ্ভুক্তি আৰ্হি' গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বৰ্তমান বিশ্বৰ দ্বিতীয় ক্ষীপ্ৰ প্ৰগতিশীল দেশ হিচাপে ভাৰতবৰ্ষৰ এনে নীতি গ্ৰহণ যথোপযুক্ত হৈছে বুলি ক'ব পাৰি।

বঞ্চিত শ্ৰেণীক বেংকৰ সৈতে জড়িত কৰি ভাৰতৰ নিচিনা কল্যাণকামী ৰাষ্ট্ৰই প্ৰকৃতাৰ্থত আৰ্থিক বিকাশৰ দাবীদাৰ হ'ব পাৰিছে। সেয়ে প্ৰধান মন্ত্ৰী মহোদয়ৰ দ্বাৰা ঘোষিত আঁচনি সঁচাকৈ প্ৰশংসনীয়। এই আঁচনিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ কথা সোঁৱৰাই মেৰা খাতা ভাগ্য বিধাতা শ্লোগানেৰে বৰ্তমানৰ

প্ৰধান মন্ত্ৰীয়ে প্ৰতি গৃহস্থক বিত্তীয় অন্তৰ্ভুক্তিত সামৰি লোৱাৰ কথা ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত প্ৰতি গৃহস্থৰে গৰাকীৰ একোখনকৈ বেংক পাছবুক খোলাৰ যাৱতীয় ব্যৱস্থাৰ নিৰ্দেশ দিয়া হৈছে। ২০১৪ চনৰ ২৮ আগষ্ট তাৰিখৰ পৰা এই আঁচনিৰ কাৰ্যকৰণ কৰি থকা হৈছে। উল্লেখযোগ্য যে কাৰ্যকৰীকৰণৰ প্ৰথম দিনটোত সমগ্ৰ দেশজুৰি সৰ্বমুঠ ডেৰ কৌটি বেংক পাছবুক খোলা হৈছে। বিনামূলীয়াকৈ বেংক পাছবুক খোলাৰ ব্যৱস্থা কৰাৰ লগতে সৰ্বোচ্চ পাঁচ হাজৰ টকাৰ অতিৰিক্ত প্ৰদান (Overdraft) ডেবিট কাৰ্ড আৰু ১ লাখ টকাৰ বীমাকৰণ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পৰ্যায়ক্ৰমে পৰবৰ্তী সময়ত পেঞ্চনকে ধৰি ৰাজসাহায্য প্ৰদানৰো ব্যৱস্থা এই সেৱাৰ দ্বাৰা কৰা হ'ব। দেশৰ সঞ্চয় ক্ষমতা বৃদ্ধিৰ লগতে শোষণ, বঞ্চনাৰ প্ৰভাৱ কমাবলৈ এনে আঁচনি সহায়ক হ'ব বুলি ভবা হৈছে।

এই আঁচনিখন দেশৰ সামগ্ৰিক উন্নয়নত যথেষ্ট অৰিহণাদায়ক হ'ব বুলি ভবা হৈছে যদিও ৰূপায়ণৰ ক্ষেত্ৰত যথেষ্ট আহুকালৰ সৃষ্টি হৈছে। বিশেষকৈ গ্ৰাম্যাঞ্চলত ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখাসমূহত কৰ্মী সংখ্যাও যথেষ্ট কম। আশা কৰা ধৰেণ সকলোকে বেংক শাখা আৰু কৰ্মীৰ নিশ্চয়কৈ বৃদ্ধি ঘটাব লাগিব। ভাৰতবৰ্ষক ডিজিটেল ইণ্ডিয়া কৰাৰ শ্লোগান যিমান ক্ষিপ্ৰতাৰে সম্ভৱ হ'ব সিমান সঠিকভাৱে বিত্তীয় অন্তৰ্ভুক্তি আঁচনিও ফলপ্ৰসু হ'ব। তদুপৰি প্ৰায় ৩০ শতাংশ নিৰক্ষৰ লোকৰ ভাৰতবৰ্ষত সকলোকে অভিলাষী আঁচনিত অন্তৰ্ভুক্তকৰণ অতি দুৰ্বিসহ বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। নিৰক্ষৰৰ অনুপাত হ্ৰাস কৰিব পাৰিলেহে ঘোষিত আঁচনিসমূহ বাস্তৱায়িত কৰাত উজু হ'ব বুলি বিশ্বাস কৰিব পাৰি। সেইবাবে আঁচনিসমূহৰ ভিতৰত ১০০ শতাংশ সাক্ষৰতাৰ আঁচনিক অগ্ৰাধিকাৰ দিয়া উচিত।

•••

# উপলব্ধিৰে কটন কলেজ ছহিদ মোজাম্মিল হক ছাত্ৰৱাস ইত্যাদি...

আসাম প্ৰভিঞ্চৰ তদানিন্তন চীফ্ কমিছ্নাৰ ছাৰ হেনৰি ষ্টেড্মেন কটনৰ পৃষ্ঠপোষকতা আৰু ডব্লিউ চুডমাৰছন চাহাবৰ অধ্যক্ষতাত ১৯০১ চনত প্ৰতিষ্ঠা লাভ কৰা কটন কলেজৰ শতবৰ্ষাধিক সময়ৰ গৰিমাত সংযোগ কৰিবলৈ নতুন একো নাই। অসমৰ উচ্চ শিক্ষাৰ ইতিহাসৰ পৃষ্ঠাই পৃষ্ঠাই ইয়াৰ সাক্ষী বিদ্যমান। ভাৰতৰ পৌৰাণিক অংগ অসম মুলুকৰ জাতি গঠন আৰু জাতীয় পৰিচয় অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যেই জনম লাভ কৰা উচ্চ শিক্ষাৰ বাটকটীয়া কটন কলেজৰ মজিয়াৰ পৰাই পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ে জন্ম লাভ কৰিছিল। কটন কলেজ অঙ্কুৰণৰ অধ্যক্ষ চুড্মাৰছন চাহাবৰ দৰে শিক্ষাবিদে সপোন ৰচিছিল—“এই কলেজৰ শিক্ষক-শিক্ষাৰ্থীয়ে সামাজিক কু-সংস্কাৰৰ পৰা আঁতৰি শিক্ষা প্ৰসাৰক মানৱসেৱাৰ বাবে প্ৰক্ষেপ কৰিব আৰু ইয়াৰ মান অটুট ৰখাত অহোপুৰুষাৰ্থ কৰিব।” শিক্ষাৰ এই দীৰ্ঘম্যাদী সপোনৰ ফল তৰপে তৰপে সমাজলৈ ছটিয়াই গৌৰৱেৰে কটন কলেজে এশ চৈধ্য বছৰীয়া ঐতিহ্য বুকুত বান্ধি আছে। ড° সূৰ্যকুমাৰ ভূঞা, ড° বাণীকান্ত কাকতি, ড° হীৰেন গোহাঁই, হোমেন বৰগোহাঁই, ড° অমলেন্দু গুহ, নৰকান্ত বৰুৱাকে ধৰি অলেখ বৰেণ্য তথা পণ্ডিত প্ৰৱৰে ছাত্ৰ অথবা শিক্ষক হিচাপে কটন কলেজ গৰকি ইয়াক আৰু মহীয়ান কৰি তুলিছিল। প্ৰাক্তন কটনিয়ান পণ্ডিত প্ৰৱৰ ড° অমলেন্দু গুহৰ কাব্যিক দৃষ্টিত কটন কলেজখন ‘সময়ৰ মুখ উজলাই থকা যেন এটি বনগীত’। ইয়াৰ চিৰযৌৱনা জ্ঞানস্ৰোতৰ মহিমাৰ বিষয়ে ক’বলৈ এখোপ আগুৱাই তেওঁ কাপেৰে নিগৰাইছে উপলব্ধিৰ কাব্যিক প্ৰকাশ।

চিৰযৌৱনা কটন কলেজ, তিৰিশৰ ভালপোৱা
নালাগে তোমাক, চিৰ ওঠৰৰ লগত তোমাৰ প্ৰেম।
আজিও তোমাৰ দুৱাৰডলিত ওঠৰৰ অহা-যোৱা,
আজিও তোমাৰ হাঁহিয়ে ভাঙিছে শুকান তপৰ ভেম।

তথাপি তোমাৰ পুৰণিকলীয়া স্মৰণৰ দাপোণত
বাৰে বাৰে কঁপে ফুকনৰ মাত, বাণী কাকতিৰ হাঁহি
বাৰে বাৰে কঁপে মোৰো মুখখনি, লাজকুৰীয়া মুখ
তোমাৰ খোপাৰ পদুমকলিৰ খহি পৰা এটি পাহি।

তুমি অসমৰ দীপ্ত প্ৰাণৰ প্ৰদীপ্ত মেজি জুই,
তোমাৰ নাচৰ ছেৱে ছেৱে ফুলে আশাৰ পাপৰিবোৰ
উঠি অহা ডেকাদলৰ চকুত ফিৰিঙতি সানি দিয়া,
লুইত পাৰৰ চিৰযৌৱনা কটন কলেজ মোৰ।
(কটন কলেজলৈ —ড° অমলেন্দু গুহ)

আন এগৰাকী প্ৰাক্তন কটনিয়ান সাহিত্য কাণ্ডাৰী হোমেন বৰগোহাঁই ডাঙৰীয়াই নিৰ্মোহ বিশ্লেষণ কৰিবলৈ গৈ ‘কটন কলেজলৈ’ কবিতাটিক শতিকাৰ শ্ৰেষ্ঠ কবিতাসমূহৰ শাৰীত থোৱাৰ উপৰি কটন কলেজখন সঁচাকৈয়ে সময়ৰ মুখ উজলাই থকা বনগীত বুলিয়ে অভিহিত কৰে।

কটন কলেজ প্ৰতিষ্ঠা হোৱাৰ এবছৰ পাছতেই ১৯০২ চনত ব্ৰিটিছ শাসনাধীন অসমৰ শিক্ষা ব্যৱস্থাত কটন মুছলিম হোষ্টেল স্থাপন হয়। তাহানিৰ কটন ইউনিয়ন হল, জিমনেছিয়াম হল আৰু ফাৰ্ষ্ট মেছৰ গাতে লাগি থকা হোষ্টেলখনো কলেজখনৰ সমান্তৰালকৈ শতবৰ্ষাধিক সময়ৰ গৰিমাৰে প্ৰাণচঞ্চলা হৈ আছে। কটন কলেজ আৰু হোষ্টেলখনৰ (ছহিদ মোজাম্মিল হক হোষ্টেল) চাৰিওফালে আৱৰা বহুধাবিভক্ত বাতাবৰণে জ্ঞান-গৰিমাৰ এক অনন্য উৎস হিচাপে যুগে যুগে স্থিতি গ্ৰহণ কৰি আহিছে। উত্তৰ-পূৰ্ব্বাঞ্চলৰ দুৱাৰমুখ

গুৱাহাটীৰ ব্যস্ততাপূৰ্ণ, প্ৰাণচঞ্চলা, নানা কল্পকাহিনীৰ ক্ষেত্ৰ পানবজাৰে ঐতিহ্যময় কটন কলেজখন আৰু কটন মুছলিম হোষ্টেলক আঁকোৱালি ৰাখি আছে। শতিকাজুৰি প্ৰজ্বলিত জ্ঞান বন্তিয়ে যেন জাতি তথা সমাজৰ সাৰ্বিক দিশত অনায়াসে আলোকিত কৰাৰ পণ বান্ধি আছে। ঐতিহাসিক দীঘলীপুখুৰী, জজ খেলপথাৰ, কাছাৰী, চেছ্ন আৰু উচ্চ ন্যায়ালয়, মুখ্য ডাকঘৰ, উমানন্দ, শুক্ৰেশ্বৰঘাট, নেহৰু পাৰ্ক, শাৰী শাৰী কিতাপৰ দোকান, ছোৱালী হাইস্কুল, ডনবস্ক' স্কুল, টেলিফোন এক্সেঞ্জ, ৰে'লষ্টেচন, ভাৰতীয় ৰিজাৰ্ভ বেংক, ৰাজ্যিক যাদুঘৰ, ৰবীন্দ্ৰ ভৱন, জিলা পুথিভঁৰাল, সন্দিকৈ ছোৱালী কলেজ আদিয়ে আৱৰি ৰখা পুৰণি অসম আৰ্হি আৰু কংক্ৰিটৰ গৃহসমূহৰ সমাহাৰে কটন কলেজৰ বাহ্যিক অৱয়বক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ ছাত্ৰাৱাসসমূহো এক বৈচিত্ৰ্যৰ অংশীদাৰ। এই অৱয়বৰ মাজলৈ ৰাজ্য, উত্তৰ-পূৰ্বাঞ্চলৰ তথা আন ঠাইৰ গাঁও-চহৰৰ পৰা মেধাবী ছাত্ৰ-ছাত্ৰীৰ সোঁত বয়।

ল'ৰালি কালৰ পৰা শুনি থকা এনেহেন ঐতিহ্যমণ্ডিত কলেজত অধ্যয়নৰ হেঁপাহ আমাৰ ক্ষেত্ৰত বাস্তৱত পৰিণত হৈছিল বিগত শতিকাৰ অন্তিম ভাগত। ১৯৭৭ চনত এইখন কলেজত ভৰ্তি হৈ কটন মুছলিম হোষ্টেলৰ আবাসী হোৱাৰ সৌভাগ্য ঘটিছিল। সেই সময় আছিল অসমৰ আৰ্থ-সামাজিক পট পৰিৱৰ্তনৰ কেবাটাও ঐতিহাসিক পৰিক্ৰমাৰ সামৰণি আৰু নতুন চিন্তা-চেতনাৰ আৰম্ভণি। ধাৰাবাহিকভাৱে কেবাটাও বিপৰ্যয় ক্ৰমে ১৯৬৭-৬৯ চনৰ প্ৰবল খৰাং, ১৯৭০ চনৰ মাধ্যম আন্দোলন, ১৯৭৪ চনৰ খাদ্য আন্দোলন, কেবালানি বিধ্বংসী বানপানী, পূব- পশ্চিম পাকিস্তানৰ সংঘৰ্ষ, বাংলাদেশৰ জন্ম, কলেজ শিক্ষকৰ আন্দোলন, শিক্ষাবৰ্ষ বিনষ্ট, জৰুৰীকালীন অৱস্থাৰ সংকট আদিৰ পিছতেই বিদেশী বিতাৰণ আন্দোলনৰ উক্‌মুকনি।

এনে সন্ধিক্ষণত গোৱালপাৰা জিলাৰ এখন জকাইচুকীয়া গাঁৱৰ পৰা কটন কলেজৰ আৱাসী হৈ ১৯৭৭ চনৰ জুলাই মাহৰ পৰা পাঠ গ্ৰহণৰ সুবিধা পাইছিলোঁ। অনেক আনন্দ আৰু বিষাদৰ মাজেৰে জীৱনৰ চাৰিটা বসন্তৰ ঐতিহাসিক কলেজ হোষ্টেলত কটোৱা দিনবোৰ আজিও প্ৰেৰণাদায়ক। পাঠগ্ৰহণত অংশগ্ৰহণ কৰিয়ে বিশিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সংস্পৰ্শলৈ অহাৰ

কটন মুছলিম হোষ্টেলত প্ৰৱেশ কৰিছিলোঁ। নতুন পৰিৱেশ, ৰেগিং ইত্যাদি কথাই নানা শংকাত বুৰাই ৰাখিছিল যদিও মোৰ অভিভাৱকত্ব কৰা চুবুৰীয়া প্ৰাক্তন ফাৰ্ষ্ট মেছৰ আৱাসী স্বৰ্গীয় কনক চন্দ্ৰ নাথ দাদাৰ পৰামৰ্শক সাৰথি কৰি সাহস গোটাইছিলোঁ। নাথ দাদাই পোনতে হোষ্টেল অধীক্ষক চৈয়দ মকিবুৰ ৰহমানৰ বাসগৃহত নি তেখেতৰ সৈতে চিনাকি কৰোৱাই যাৱতীয় কৰণীয়খিনি কৰি দ্বিতীয় ব্লকৰ মণিটৰ তেওঁৰ সহপাঠী আনোৱাৰ হুছেইনৰ সৈতে চিনাকি কৰি দিয়াৰ ছলেৰে ৰেগিং ৰেহাইৰো অনুৰোধ ৰাখিছিল। নাথ দাদাৰ বিদায়ৰ পিছত যথেষ্ট নিঃসংগ অনুভৱ কৰিছিলোঁ আৰু তৎমুহূৰ্ততে প্ৰত্যক্ষ কৰা এক ৰেগিঙৰ দৃশ্যৰ দ্বাৰা শংকিত হৈ পৰিছিলোঁ। নাথ দাদাৰ কথা মনত পেলাই সাহস গোটাই সকলো প্ৰকাৰৰ তথা কথিত ৰেগিং সহি বহু নজনা কথা শিকিছিলোঁ। পিছত ভিন্ন ঠাইৰ পৰা, ভিন্ন পৰিস্থিতি পৰিৱেশৰ পৰা অহা আবাসীসকল অতি শ্ৰদ্ধাৰ, প্ৰীতিভাজন আৰু মৰমৰ একো একোজন বন্ধুসদৃশ হৈ পৰিছিল। প্ৰথমবাৰৰ বাবে আমাৰ নিৰ্ধাৰিত দ্বিতীয় ব্লকৰ চাৰি নম্বৰ ৰুমত সোমায়েই প্ৰথম বৰ্ষৰে শ্বৰীফুজ জামান আৰু কালাম আজাদক ৰুমমেট হিচাবে পাইছিলোঁ। কিছুদিন পিছত এগৰাকী জ্যেষ্ঠ আৱাসী গাজীউৰ ৰহমান শ্বেখে খালী হৈ থকা ছিটটোত প্ৰৱেশ কৰে। প্ৰাক্-বিশ্ববিদ্যালয়ৰ দুটা বৰ্ষ সেই ৰুমটোতে অতিবাহিত কৰিছিলোঁ আৰু পিছৰ এটাকৈ বছৰ প্ৰথম ব্লক আৰু দ্বিতীয় ব্লকত অতিবাহিত কৰিছিলোঁ।

হোষ্টেলৰ নতুন পৰিৱেশত খাপ খোৱাৰ প্ৰচেষ্টা অব্যাহত থকাৰ সময়তে আমাক বেল বনাব পৰা এটা ঘটনা সংঘটিত হৈছিল। এই হোষ্টেলৰ এজন জ্যেষ্ঠ আৱাসী আমাৰ হোষ্টেলৰ আৱাসী এজনৰ সৈতে মিলি আমাক এটি বেসুৰা গান শিকাইছিল। শ্ৰেণী চলি থকা সময়ত আমাৰ ৰুমৰ কাষেৰে ব'টানী-বায়'লজিৰ ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰে। তেনে সময়তে উচ্চস্বৰে গানটো গাব দি ৰুমৰ পিছ দুৱাৰেদি উভয়ে পলায়ন কৰে। গানটো গাই থাকোঁতে ৰুদ্ৰাণী ৰূপেন এগৰাকী বাইদেউ সংগীসহ ৰুমত প্ৰৱেশ কৰাত আমি বিচুৰ্তি হেৰাইছিলোঁ। নতুন মক্কেল বুলি ভাবি হয়তো আন কোনো বিসংগতিপূৰ্ণ আচৰণ নকৰি বুজাই ক'লে উক্ত গানটো আওপকীয়াকৈ তেওঁক গালি পৰাৰ কথা

লুকাই আছে। কথাটো আমিও বুজি পাই আমাৰ উপায়হীনতাৰ ব্যাখ্যা দাঙি ধৰিছিলোঁ। অৱশেষত বাইদেউক সান্ত্বনাৰে নিশ্চিতি দিছিলোঁ যে আৰু ভৱিষ্যতে তেনে নহ'ব।

হোষ্টেলৰ নৱাগত আদৰণি সভা নোযোৱালৈকে নতুন আৱাসীসকল পৰাধীনভাৱে ভয়ে-সংকোচে দিন-ৰাতি কটাবলগীয়া হৈছিল। নৱাগত আদৰণি সভা হৈ যোৱাৰ পিছতে ন-পুৰণি আৱাসীৰ মৰমৰ বান্ধোনটো তুলনাবিহীন হৈ পৰিছিল। আৱাসী সোঁতৰ সেই সময়ৰ আৱাসীসকলৰ লগত আজিও আত্মীয়তা অব্যাহত আছে।

হোষ্টেলত অধ্যয়নৰ পৰম্পৰাৰ উপৰি সাংস্কৃতিক চৰ্চা, খেলা-ধুলাৰ পৰিৱেশ আছিল। কটন মুছলিম হোষ্টেল আৰু ফাৰ্ষ্টমেছৰ মধ্যভাগত থকা বাকৰিত সততে ভীলবল চৰ্চা হৈছিল। কেতিয়াবা ক্ৰিকেট আৰু ফুটবল খেলৰো চৰ্চা হৈছিল যদিও গ্লাছ ভঙাৰ শংকাত সেইবোৰৰ চৰ্চা সীমিত কৰা হৈছিল। কলেজ সপ্তাহৰ প্ৰায়বোৰ প্ৰতিযোগিতাত আৱাসীসকল যোগদান কৰিছিল। কলেজ সপ্তাহৰ ইভেণ্টসমূহত ব্যক্তিগত শাখাৰ উপৰি টীম ইভেণ্টসমূহত যোগদান কৰাৰ পৰম্পৰা আছিল। কলেজ সপ্তাহৰ মাৰ্চপাষ্ট প্ৰতিযোগিতা অতি আকৰ্ষণীয় আছিল। মাৰ্চপাষ্ট প্ৰতিযোগিতা পল্টন বজাৰৰ নিউ ফিল্ডত অনুষ্ঠিত হৈছিল। কটন মুছলিম হোষ্টেলৰ মাৰ্চপাষ্ট দলটোৱে আমি থকা বছৰকেইটাত পুৰস্কৃত হোৱা পৰিলক্ষিত হৈছিল। আমাৰ হোষ্টেলৰ আবাসীসকলে এটি ফুটবল টীমৰো জন্ম দিছিল। এসময়ৰ নামজ্বলা ফুটবলাৰ সৰ্বভাৰতীয় ছাব-জুনিয়ৰত অসমৰ হৈ কেপ্টেইনশ্বিপ কৰি চূড়ান্ত বিজয়ী হৈ অহা নাজিৰাৰ উবায়দুল্লা আমাৰ হোষ্টেলৰ আবাসী আছিল। হোষ্টেলৰ গাতে লাগি থকা জিমনেছিয়াম হলত শৰীৰ চৰ্চা কৰিবলৈ গৈ ওৱেইট লিফ্‌টিঙৰ চৰ্চা কৰাৰ অভ্যাস কৰিছিলোঁ। গুৰু নোহোৱাকৈ চৰ্চা কৰাৰ পৰিণতিত এফালৰ পৰা পেশী অধিককৈ বাঢ়ি অহাৰ বিসংগতিৰ বাবে পিছলৈ সেইটো এৰি লঘু ব্যায়ামত ধৰিছিলোঁ। মাজে-সময়ে ইচ্‌ফাক কা আৰু ইছমাইল আলীৰ সৈতে লগ হৈ টেবুল টেনিচ চৰ্চা কৰিছিলোঁ। টেবুল টেনিচ চৰ্চা কালত ইচ্‌ফাক কাই মনালিচা বৰুৱাৰ সৈতে চিনাকি কৰাই দিছিল। কটন মুছলিম হোষ্টেলৰ আৱাসীসকলৰ মাজৰ পৰা

কেইজনমান লগ হৈ ফৰকাটিঙৰ পৰা অহা আৱাসী আলতাফ কাৰ পৰিচালনাত এটি কাৱালী দল গঠন কৰিছিল। উক্ত দলৰ আমিও সদস্য আছিলোঁ আৰু কলেজ সপ্তাহৰ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ আঁজুৰিবলৈ সক্ষম হৈছিলোঁ। উল্লেখ্য যে দলটিয়ে অসমীয়া কাৱালী গাইছিল। গীত-মাত, খেলা-ধূলা, সাহিত্য আদিবোৰ চৰ্চাৰ মাজতো আৱাসীসকল নিয়মিত অধ্যয়নত মনোনিৱেশ কৰিছিল। পঢ়া-শুনাৰ অনুকূল পৰিৱেশৰ বাবে আমাৰ সময়ত ৰফিকুল আৱাল, মজনুৰ হুছেইন, ওৱাহিদ আদি আৱাসীয়ে প্ৰাক্-বিশ্ববিদ্যালয় চূড়ান্ত পৰীক্ষাত স্থান দখল কৰিছিল। তদুপৰি ভালেসংখ্যক আৱাসীয়ে পি ইউ আৰু ডিগ্ৰীত প্ৰথম বিভাগ আৰু প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হৈছিল।

আমি অধ্যয়ন কৰা সময়ত কটন কলেজত দুগৰাকী স্বনামধন্য শিক্ষাগুৰুক অধ্যক্ষ হিচাপে পাইছিলোঁ। দুয়োগৰাকী ব্যক্তিয়ে উচ্চ শিক্ষানুষ্ঠানৰ অধ্যক্ষ হিচাপে থাকিবলগীয়া সকলো ধৰণৰ গুণৰ অধিকাৰী আছিল। আমি কলেজত ভৰ্তি হোৱাৰ সময়ৰ পৰা প্ৰথমগৰাকী অধ্যক্ষ আছিল শ্ৰদ্ধেয় আশ্ৰফ আলী ছাৰ। বিদ্যায়তনিক দিশত চহকী আৰু প্ৰশাসনিক দক্ষতাপূৰ্ণ আলী ছাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উচ্চ ব্যক্তিত্বসম্পন্ন লোক বুলি পৰিচিত হৈছিল। এবাৰ আন্দোলন সম্পৰ্কীয় এক বিষয়ত সেই সময়ৰ ক্ষমতাশালী পুলিচ বিষয়া অস্ত্ৰধাৰী বাহিনীসহ হোষ্টেলত প্ৰৱেশৰ প্ৰচেষ্টাক আলীছাৰে বাক্যবাণেৰে প্ৰতিহত কৰিছিল। আমাৰ হোষ্টেল আৰু ডি এছ্ হোষ্টেলৰ মাজভাগত আৱাসী আৰু পুলিচৰ অৰিয়া-আঁৰিৰ মাজত আলী ছাৰ উপস্থিত হৈ বিষয়াজনক দৃঢ় কণ্ঠেৰে কৈছিল—"আপুনি ঘূৰি যাওক, মোৰ ল'ৰাবোৰক মই নিয়ন্ত্ৰণ কৰিম।" অধ্যক্ষ এগৰাকীৰ এনে পদক্ষেপ আৰু ভাবাৱেগে আলীছাৰৰ বহল ব্যক্তিত্বকে দাঙি ধৰিছিল। এইগৰাকী অধ্যক্ষ অসম চৰকাৰৰ শিক্ষাধিকৰ্তাৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত কটন কলেজৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিছিল ড° গোৱিন্দ ডেকাছাৰে। পদাৰ্থ বিজ্ঞানৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ডেকাছাৰে কটন কলেজৰ বিদ্যায়তনিক বাতাবৰণ মানবিশিষ্ট কৰি ৰাখিবলৈ নিয়মিত শ্ৰেণী অনুষ্ঠিত কৰাত বেছিকৈ গুৰুত্ব প্ৰদান কৰিছিল। ছিৰিয়াচ ধৰণ অভিব্যক্তিৰ গৰাকী ডেকাছাৰক দেখিলে বা তেখেতৰ সৈতে বাৰ্তালাপ কৰিলে সাক্ষাৎকাৰীও ছিৰিয়াচ হোৱাৰ

প্ৰৱণতাৰে প্ৰলুব্ধ হোৱা পৰিলক্ষিত হৈছিল। ডেকাছাৰে প্ৰায়ে শ্ৰেণী চলি থকা কাৰ্য নিজেই নিৰীক্ষণ কৰিছিল। বাৰাণ্ডা অথবা ছিৰিত জুম বান্ধি থকা ছাত্ৰ-ছাত্ৰীসকলক কাষলৈ আগবাঢ়ি আহি নলবৰীয়া কথিত ভাষাৰ ঠাঁচত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়াইছিল।

আমাৰ ডিগ্ৰী শ্ৰেণীত পদাৰ্পণ কৰাৰ সময়ত ১৯৭৯ চনত অসমৰ বিদেশী বিতাৰণ আন্দোলন ভৰপক অৱস্থালৈ আগবাঢ়ে। আন্দোলন দমনৰ আওতাত সততে হোষ্টেলৰ আৱাসীসকল হাৰাশাস্তিৰ সন্মুখীন হৈছিল। অসম বন্ধৰ এক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ গৈ আমি আৰু আন পাঁচজন আৱাসীৰ সৈতে জেলত সোমাবলগীয়া হৈছিল। আমাৰ সৈতে জেলত সোমাবলগীয়া হোৱা আৱাসীসকল আছিল ইছমাইল আলী, ফাৰুক হুছেইন, মইনুল খান, আব্দুল আলী (ৰাজা) আৰু কালাম আজাদ। ফাঁচীবজাৰ আৰু মাছখোৱা সীমান্তৱৰ্তী জেলখানাৰ ভিতৰত গোটেইদিন আৱদ্ধ কৰি ৰাখি জেল কৰ্তৃপক্ষই সন্ধিয়া নিজ জিম্মাৰ জামিনত মুকলি কৰি দিছিল। আমি আন্দোলন চলি থকাৰ মাজতে এদিন মধ্যৰাতি অতৰ্কিতে আমাৰ হোষ্টেলত চি আৰ পিয়ে ৰেইড কৰিছিল। ৰেইডযোগে চৰকাৰী চি আৰ পি বাহিনীয়ে আৱাসীসকলক অকথ্য অত্যাচাৰ কৰিছিল। পৰৱৰ্তী সময়ত তেনে বিভীষিকাময় পৰিস্থিতিৰ মাজত সংঘটিত অনেক আমোদজনক কথা মুখৰোচক হৈ পৰিছিল। ৰেইডৰ সময়ত চি আৰ পিৰ কোবৰ কষ্ট লাঘৱৰ অভিপ্ৰায়েৰে আতংকৰ মাজতো অনেক আৱাসীয়ে ৰুমত থকা সকলো ধৰণৰ বস্ত্ৰ পৰিধান কৰি টেবুলৰ তলত মূৰ গুজি পিঠি পাতি দিছিল। কেইজনমানে আন্ধাৰৰ সুযোগ লৈ পিছ দুৱাৰেদি লেট্ৰিন যোৱাৰ ভাওত পলোৱাৰ বিফল চেষ্টা কৰিছিল। কিয়নো ইতিমধ্যে হোষ্টেলৰ লেট্ৰিন ক'লনীত চি আৰ পি গিজ্‌গিজাই আছিল।

কটন কলেজ আৰু তাহানিৰ কটন মুছলিম হোষ্টেলৰ ক্ৰমে ছাত্ৰ আৰু আৱাসী হিচাপে আমি গৌৰৱ অনুভৱ কৰোঁ। ছাত্ৰ আৰু আৱাসী জীৱনৰ নানা ঘটনা পৰিঘটনা আমাৰ মানসপটত আজিও জল্‌জল্‌-পট্‌পট্‌কৈ ভাঁহি আহে যদিও বিস্তাৰিত আলোচনা অসম্ভৱ। সি যি কি নহওক সকলো অন্তৰংগ আৱাসীৰ উল্লেখ সম্ভৱ নহয় আৰু প্ৰসংগক্ৰমে অহা কেইজনমান আৱাসীৰ নাম উল্লেখ

কৰাৰ বাবে সকলোৰে ওচৰত আমি ক্ষমাপ্ৰাৰ্থী। পৰিশেষত পলমকৈ হ'লেও শতবৰ্ষ উৎসৱ আয়োজনেৰে তাহানিৰ কটন মুছলিম হোষ্টেল আৰু বৰ্তমান ছহিদ মোজাম্মিল হক হোষ্টেলৰ আৱাসী সোঁতৰ ন-পুৰণি সতীৰ্থৰ মিলনতীৰ্থৰ অংশীদাৰ হোৱাৰ সুযোগ প্ৰদানৰ বাবে আয়োজক সমিতি ধন্যবাদ আৰু কৃতজ্ঞতাৰ পাত্ৰ।

।। জয়তু কটন কলেজ।।

।জয়তু ছহিদ মোজাম্মিল হক হোষ্টেল।।

●●●